জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ২৬১/২০২১

## নৱগঠিত খিলঞ্জীয়া আৰু জনজাতীয় বিশ্বাস আৰু সংস্কৃতি বিভাগৰ বিষয়াসকলৰ সৈতে মুখ্যমন্ত্ৰীৰ বৈঠক

# বিভাগটোৰ প্ৰশাসনিক আৰু বিত্তীয় দিশসমূহ অহা ৭ দিনৰ ভিতৰত সু-সংহত কৰাৰ বাবে মুখ্যমন্ত্ৰীৰ নিৰ্দেশ

**দিছপুৰ, ১১ ছেপ্টেম্বৰ ঃ** মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি নতুনকৈ সৃষ্টি কৰা খিলঞ্জীয়া আৰু জনজাতীয় বিশ্বাস আৰু সংস্কৃতি বিভাগৰ বিষয়াসকলৰ সৈতে এক আলোচনাত মিলিত হয়। আলোচনাকালত মুখ্যমন্ত্ৰীয়ে নতুনকৈ সৃষ্টি কৰা বিভাগটোৰ কাম-কাজৰ অগ্ৰগতিৰ বুজ লয়। উল্লেখ্য যে নতুনকৈ সৃষ্টি কৰা এই বিভাগৰ অধীনত ইতিমধ্যে সংগ্ৰহালয় সঞ্চালকালয়, প্ৰত্নতত্ত্ব সঞ্চালকালয় আৰু বুৰঞ্জী আৰু পুৰাতত্ত্ব সঞ্চালকালয়ক অন্তৰ্ভূক্ত কৰা হৈছে। মুখ্যমন্ত্ৰী ড° শৰ্মাই আজিৰ বৈঠকতে বিভাগটোৰ অধীনত খিলঞ্জীয়া আৰু জনজাতীয় বিশ্বাস আৰু সংস্কৃতি সঞ্চালকালয় নামেৰে আৰু এটা সঞ্চালকালয় সৃষ্টি কৰাৰ বাবে নিৰ্দেশ দিয়ে।

আজিৰ বৈঠকতে মুখ্যমন্ত্ৰীয়ে বিভাগটোৰ প্ৰশাসনিক আৰু বিত্তীয় কাম-কাজসমূহ অহা ৭ দিনৰ ভিতৰত বিত্ত বিভাগৰ সৈতে আলোচনাত মিলিত হৈ সু-সংহত কৰাৰ বাবেও নিৰ্দেশ দিয়ে। বিভাগটো সৃষ্টি কৰাৰ দিশত ৰাজ্য চৰকাৰৰ এক মহৎ উদ্দেশ্য আছে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে বিভাগটোৰ সচিব সীমাৰেখা ভূঞাক ৰাজ্যখনৰ শতাব্দী প্ৰাচীন পৰম্পৰা ধৰি ৰখা সম্প্ৰদায়সমূহৰ খিলঞ্জীয়া আৰু জনজাতীয় বিশ্বাসৰ এখন যথাযথ তালিকা অতিশীঘ্ৰে প্ৰস্তুত কৰাৰ বাবে নিৰ্দেশ দিয়ে। মুখ্যমন্ত্ৰীয়ে লগতে ৰাজ্যখনৰ যিসমূহ ঠাইত প্ৰত্নতাত্ত্বিক সমল আছে সেই ঠাইতে প্ৰত্নতাত্ত্বিক সমলসমূহ সংৰক্ষণৰ বাবে সংগ্ৰহালয় স্থাপনৰ উদ্যোগ ল'বলৈও বিভাগটোক কয়। আজিৰ বৈঠকতে মুখ্যমন্ত্ৰীয়ে এই বিভাগটোৰ অধীনস্থ সংগ্ৰহালয় সঞ্চালকালয়, প্ৰত্নতত্ত্ব সঞ্চালকালয় আৰু বুৰঞ্জী আৰু পুৰাতত্ত্ব সঞ্চালকালয়ক অহা ৭ দিনৰ ভিতৰত সঞ্চালকালয়কেইটাৰ বিভিন্ন কাম-কাজ সন্নিৱিষ্টকৰণেৰে প্ৰেজেণ্টেশ্যন প্ৰস্তুত কৰাৰ বাবেও নিৰ্দেশ দিয়ে।

আজিৰ এই বৈঠকত মুখ্যমন্ত্ৰীৰ প্ৰধান সচিব সমীৰ কুমাৰ সিনহা, খিলঞ্জীয়া আৰু জনজাতীয় বিশ্বাস আৰু সংস্কৃতি বিভাগৰ সচিব সীমাৰেখা ভূঞা, সংগ্ৰহালয় সঞ্চালকালয়ৰ সঞ্চালক ৰাই এছ ৰেংলেংটন, প্ৰত্নতত্ত্ব সঞ্চালকালয়ৰ সঞ্চালিকা দীপিৰেখা কুলি আৰু বুৰঞ্জী আৰু পুৰাতত্ত্ব সঞ্চালকালয়ৰ সঞ্চালিকা অনিতা চৌধুৰীকে ধৰি অন্যান্য বিষয়াসকল উপস্থিত থাকে।

**বঃভাঃ**
**১১-০৯-২০২১**

**Website:** cm.assam.gov.in/assam.mygov.in **E-mail:** cmprcell09@gmail.com
/CMOfficeAssam / /cmofficeassam cmassam.prcell@gov.in